**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-01-2026
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***
***::::::::::::::::::::::::::::::::::::::::::::***

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ উন্নতিয়ে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ উন্নতি ত্বৰান্বিত কৰিব বুলি মত প্ৰকাশ কৰিছে।

২।	বাংলাদেশত বৰ্ধিত সাম্প্ৰদায়িক বৈষম্য, হিংসা আৰু অৰাজকতাৰ বিৰুদ্ধে শীঘ্ৰেই ব্যৱস্থা ল'বলৈ কেইবাটাও সংখ্যালঘু সম্প্ৰদায়ে চৰকাৰৰ ওচৰত দাবী জনাইছে।

৩।	আমেৰিকাই পশ্চিম ইৰাকৰ এন-আই-আছাদ বিমান কোঠৰ পৰা ইয়াৰ সেনা বাহিনীক সম্পূৰ্ণৰূপে ঘূৰাই আনিছে।

৪।	মহাৰাষ্ট্ৰৰ ছ'লাপুৰ-পুনে ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে এগৰাকী মহিলা আহত হয়। *আৰু*

৫।	ভাৰত আৰু নিউজিলেণ্ডৰ মাজত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতে টছত জিকি নিউজিলেণ্ডক বেট ধৰিবলৈ আমন্ত্ৰণ জনাইছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত নতুন দুৱাৰমুখ হিচাপে উদ্ভাসিত হৈ উঠিছে। উত্তৰ -পূৰক দেশৰ বাকী অংশৰ সৈতে উন্নয়নৰ পথত সমানে আগবঢ়াই নিয়াৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে গ্ৰহণ কৰা লক্ষ্যৰ বিষয়ে উল্লেখ কৰি তেওঁ এইদৰে মত প্ৰকাশ কৰে। কাজিৰঙা এলিভেটেড কৰিড'ৰ প্ৰকল্প আৰু ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলিগড় অংশৰ চাৰিশৰীয়া পথৰ উন্নীতকৰণৰ বাবে ভূমিপূজন উপলক্ষে কলিয়াবৰৰ মৌচন্দা পথাৰত আজি আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ লগতে কয় যে অসম উন্নতিৰ পথত আগবাঢ়িলে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই উন্নতিৰ পথত আগবাঢ়িব আৰু উত্তৰ-পূৰ্বাঞ্চল আগবাঢ়িলে সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ উন্নয়ন সাধন সম্ভৱ হ'ব। কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা এক্ট ইষ্ট নীতিৰ আধাৰত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত উন্নয়ন সম্ভৱপৰ হৈ উঠিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে সম্প্ৰতি ভাৰতীয় জনতা পাৰ্টি দেশৰ জনসাধাৰণৰ একমাত্ৰ ভাৰসা হৈ উঠিছে। কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ৮৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰস্তাৱিত এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে বিজেপি চৰকাৰে অসমৰ আন্তঃগাথনিৰ উন্নয়নক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ইয়াৰ ফলত অঞ্চলটোৰ বাবে নতুন নতুন সুযোগ আৰু দীৰ্ঘকালীন উন্নয়নৰ পথ প্ৰশস্ত হ'ব বুলি মত প্ৰকাশ কৰি তেওঁ কয়, যে অৰ্থনীতি আৰু পৰিবেশতন্ত্ৰ দুয়োবিধ একে সময়তে

একেলগে আগবাঢ়ি যাব পাৰে আৰু এই দুয়োবিধৰ মাজত সংঘাট হ'ব পাৰে বুলি তেওঁ বিশ্বাস নকৰে। এই এলিভেটেড কৰিড'ৰৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানখনৰ জীৱ-জন্তু বাধাহীনভাৱে আহ-যাহ কৰোঁটো সুনিশ্চিত হৈ উঠিব তথা মানুহ আৰু জীৱ-জন্তুৰ সংঘাত হ্ৰাস পাব বুলি শ্ৰীমোদীয়ে আশা প্ৰকাশ কৰে। একে সময়তে ইয়াৰ ফলত পথৰ সুৰক্ষা বৃদ্ধি পোৱাৰ লগতে যাতায়াতৰ সময় হ্ৰাস পাব আৰু যাত্ৰী তথা সা-সামগ্ৰীৰ পৰিবহনৰ ক্ৰমবৰ্ধমান হাৰৰ প্ৰতি লক্ষ্য ৰাখি যাতায়াতৰ ক্ষেত্ৰত সুচলতা বৃদ্ধি পাব বুলিও তেওঁ মত প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে অসমৰ উন্নয়নৰ ক্ষেত্ৰত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে নিস্ক্ৰিয় ভূমিকা গ্ৰহণ কৰা বুলি দলটোক সমালোচনা কৰি ভাৰতীয় জনতা পাৰ্টী সম্প্ৰতি দেশবাসীৰ একমাত্ৰ ভাৰসা হৈ উঠা বুলিও উল্লেখ কৰে।

ভাষণত বিহাৰ বিধানসভা আৰু মহাৰাষ্ট্ৰৰ পৌৰ নিৰ্বাচনৰ শেহতীয়া ফলাফলৰ প্ৰসংগ দোহাৰি তেওঁ কয়, যে বিজেপিয়ে মুম্বাই পৌৰ নিগমত জয় লাভ কৰিছে আৰু কাজিৰঙাত জনসাধাৰণে ইয়াৰ বাবে আনন্দ প্ৰকাশ কৰিছে। আহোম ৰাজত্ব কালৰ পৰা বৰ্তমানলৈ ঐতিহাসিক তথা ৰাজনৈতিক দিশৰ পৰা কলিয়াবৰৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে এই অঞ্চলটোৱে সুদীৰ্ঘ কালৰ পৰাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবহণকে ধৰি বিভিন্ন দিশত বিশেষ গুৰুত্ব লাভ কৰি আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰ সভাত বৃহৎ সংখ্যক লোক সমবেত হোৱা বুলি উল্লেখ কৰি ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ শলাগ লয়।

প্ৰধানমন্ত্ৰী মোদীয়ে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো আজি ভাৰ্চুৱেল ব্যৱস্থাৰে শুভাৰম্ভণি কৰে। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নামৰূপত অনুষ্ঠিত এখন জনসভাত ভাষণ দি পাছত নতুন দিল্লীলৈ উভতি যায়।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰধানমন্ত্ৰীয়ে কালি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ১০ হাজাৰৰো অধিক শিল্পীয়ে পৰিৱেশন কৰা বড়োসকলৰ বাগৰুম্বা নৃত্য উপভোগ কৰে। ০০০০০

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃণমূল কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি বংগৰ শাসনৰ পৰা দলটোক শীঘ্ৰেই বিদায় দিয়াৰ আহ্বান জনাইছে। কালি পশ্চিমবংগৰ মালদহত প্ৰধানমন্ত্ৰীগৰাকীয়ে উত্তৰ-পূব আৰু পশ্চিম বংগৰ মাজত যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে ৩ হাজাৰ ২৫০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ৰে'ল আৰু পথৰ আন্তঃগাঁথনি প্ৰকল্পৰ শুভাৰম্ভ কৰি দিয়া ভাষণত এই কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে অবৈধ প্ৰব্ৰজনৰ ফলত ৰাজ্যখনে গভীৰ সংকটৰ সন্মুখীন হোৱা বুলি উল্লেখ কৰি কয়, যে ইয়াৰ ফলত ৰাজ্যখনৰ স্থানীয় ভাষা আৰু জনগাঁথনিৰ প্ৰতি ব্যাপক ভাবুকি আহি পৰিছে।

০০০০

বাংলাদেশৰ ঢাকাৰ ৰাষ্ট্ৰীয় প্ৰেছ ক্লাৱৰ সন্মুখত কালি কেইবাটাও সংখ্যালঘু সম্প্ৰদায়ৰ লোক একত্ৰিত হৈ দেশখনৰ বিভিন্ন প্ৰান্তত বৰ্ধিত সাম্প্ৰদায়িক বৈষম্য, হিংসা তথা অৰাজকতাৰ বিৰুদ্ধে শীঘ্ৰে ব্যৱস্থা ল'বলৈ চৰকাৰৰ ওচৰত দাবী জনায়। বাংলাদেশ সংখ্যালঘু আইনজীৱী একতা সংঘই আয়োজন কৰা এই প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ আহ্বায়ক, স্বাধীনতা সংগ্ৰামী তথা উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ আইনজীৱী ড° জে. কে. পলকে ধৰি বহু লোকে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত দেশখনত আইনৰ শাসন পুনৰ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে জৰুৰী ব্যৱস্থা গ্ৰহণ

কৰাৰ লগতে শেহতীয়া হত্যাকাণ্ডসমূহৰ ন্যায়িক অনুসন্ধান, খৰতকীয়া বিচাৰ ব্যৱস্থাৰ জৰিয়তে দৃষ্টান্তমূলক শাস্তি, ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহত সংখ্যালঘুসকলৰ সম প্ৰতিনিধিত্ব, নিৰ্বাচনোত্তৰ কালীন নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে সেনাবাহিনী মোতায়েন আৰু ভুৱা অভিযোগত কাৰাৰুদ্ধ হৈ থকা লোকসকলৰ নিশৰ্ত মুক্তিৰ দাবী জনোৱা হয়।

০০০০

আমেৰিকাই পশ্চিম ইৰাকৰ এন-আই-আছাদ বিমান কোঠৰ পৰা ইয়াৰ সেনা বাহিনীক সম্পূৰ্ণৰূপে ঘূৰাই আনিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাকৰ মাজত ২০২৪ চনত সম্পাদিত চুক্তি অনুযায়ী ২০২৫ চনৰ ছেপ্তেম্বৰৰ ভিতৰত ইছলামিক ষ্টেট গোটৰ বিৰুদ্ধে অভিযান সম্পূৰ্ণ কৰা হ'ব বুলি সিদ্ধান্ত লোৱা হৈছিল। অৱশ্যে ছিৰিয়াৰ উন্নয়নৰ বাবে যুক্তৰাষ্ট্ৰৰ কিছুসংখ্যক উপদেষ্টা আছাদতে থাকিব। আমেৰিকাৰ সেনা বাহিনী ঘূৰি যোৱাৰ পিছতেই ইৰাকৰ সেনাপ্ৰধান লেফটেনেণ্ট জেনেৰেল আব্দুল আমিৰ ৰছিদ য়াৰাল্লাহই অঞ্চলটো ভ্ৰমণ কৰি ইৰাকী গোটৰ দায়িত্বৰ তদাৰক কৰে। ইৰাকী সেনাবাহিনীয়ে প্ৰকাশ কৰা মতে, আমেৰিকাৰ সেনা বাহিনীয়ে অস্ত্ৰ-শস্ত্ৰসহ অঞ্চলটোৰ পৰা আঁতৰি গৈছে। অৱশ্যে আমেৰিকাৰ সেনা বাহিনীৰ ফালৰ পৰা এতিয়ালৈকে এই বিষয় কোনো তথ্য প্ৰকাশ কৰা নাই।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনাবাহিনীয়ে চিৰিয়াত আকাশমাৰ্গৰ পৰা চলোৱা তৃতীয়লানি প্ৰতিশোধমূলক আক্ৰমণত আল কায়দাৰ সৈতে সম্পৰ্ক থকা এজন সন্ত্ৰাসবাদী নেতা নিহত হৈছে। এই লোকজন বিগত মাহত আমেৰিকাৰ নাগৰিকৰ ওপৰত চলোৱা ভয়ংকৰ আক্ৰমণত জড়িত আছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি চিৰিয়াৰ পালমিৰাত যোৱা ১৩ ডিচেম্বৰত আমেৰিকাৰ নাগৰিকৰ ওপৰত আক্ৰমণ চলোৱা আইছিছৰ বন্দুকধাৰীজনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বিলাল হাছান-আল জাছিমক উদ্দেশ্য কৰি এই আক্ৰমণ চলোৱা হৈছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেনা বাহিনী তথা দেশখনৰ নাগৰিকৰ ওপৰত আক্ৰমণ চলোৱা কাকো ৰেহাই দিয়া নহ'ব বুলিও সূত্ৰটোৱে প্ৰকাশ কৰে।

০০০০

মহাৰাষ্ট্ৰৰ ছ'লাপুৰ-পুণে ৰাষ্ট্ৰীয় ঘাইপথৰ মোহোলৰ ওচৰত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ৫ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন এগৰাকী মহিলা আহত হয়। নিশা প্ৰায় এঘাৰ বজাত এখন দ্ৰুতবেগী গাড়ীয়ে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ এজোপা গছত প্ৰচণ্ড খুন্দা মৰাৰ ফলত এই লোককেইজন হতাহত হয়। এই লোককেইজন এটা ধৰ্মীয় কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে পানভেলৰ পৰা অক্কালকোট অভিমুখে গৈ আছিল বুলি আকাশবাণীৰ মুম্বাইৰ সংবাদদাতাই জনাইছে। আহত মহিলাগৰাকীক মোহোলৰ চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মীয়মান কুমাৰ ভাস্কৰ বৰ্মা সেতু অহা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফে'চবুক লাইভযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে গুৱাহাটী ক্লাবৰ পৰা চানমাৰি, বামুণীমৈদাম, নুনমাটি সংযোগী উৰণসেঁতুখনো অহা মাহৰ ভিতৰতে মুকলি কৰা হ'ব বুলি আশা প্ৰকাশ কৰিছে।

০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি অনুষ্ঠিত তৃতীয় তথা অন্তিমখন খেলত ভাৰতে টছত জিকি নিউজিলেণ্ডক বেট ধৰিবলৈ আমন্ত্ৰণ জনায়। ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত এই বাতৰি যুগুতোৱাৰ পৰলৈ নিউজিলেণ্ডে ২ অভাৰত ২ টা উইকেট হেৰুৱাই ১১ ৰান কৰিছে। দুয়োটা দলে সম্প্ৰতি শৃংখলাত একোখন খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত জয়লাভ কৰাৰ বিপৰীতে নিউজিলেণ্ড দ্বিতীয়খন খেলত বিজয়ী হৈছে। উল্লেখযোগ্য যে, দল দুটাৰ মাজত ১৯৮৯ চনৰে পৰা ভাৰতত অনুষ্ঠিত কোনো খেলতে  নিউজিলেণ্ডে শৃংখলাত জয় লাভ কৰা নাই।

oooo

অসম আজি ৰাজকোটত হ'বলগীয়া ১৬ বছৰ অনুৰ্ধ্বৰ বিজয় মাৰ্চেণ্ট ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত মহাৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমে কোৱাৰ্টাৰ ফাইনেলত পঞ্জাৱক ৩ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

oooo

সমাপ্ত